# অসম বিধান সভা
# ২০২৬ চনৰ ০৮ জুলাইত উত্তৰ দিবলগীয়া
# লিখিত প্ৰশ্ন নং – ১১৩

**বিষয়ঃ গৰাখহনীয়া প্ৰতিৰোধ সন্দৰ্ভত**

**শ্ৰী দীপক কুমাৰ দাস, বিধায়ক**

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**-প্ৰশ্ন-**

ক) বৰপেটা (SC) সমষ্টিৰ বহৰি অঞ্চলৰ গৰাখহনীয়া প্ৰতিৰোধ, ঐতিহ্যপূৰ্ণ ধৰ্মীয় স্থান শ্ৰীশ্ৰী হৰিদেৱ সত্ৰ আৰু প্ৰাচীন ডক্ৰেশ্বৰ দেৱালয়ৰ অস্তিত্ব সুৰক্ষাৰ বাবে চৰকাৰে কোনো বিশেষ ব্যৱস্থা গ্ৰহণৰ হেতু ২০২৬-২৭ বৰ্ষৰ বাজেটত ধন আৱণ্টন দিছে নেকি? যদি দিছে তাৰ বিৱৰণ দিব।

খ) সত্ৰ-সংস্কৃতিৰ পৱিত্ৰ পীঠস্থান বৰপেটাৰ কাষেৰে প্ৰবাহিত নখন্দা নদীৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে ২০২৬-২৭ বৰ্ষৰ বাজেটত কোনো বিশেষ আঁচনি গ্ৰহণ কৰা হৈছে নেকি? যদিহে গ্ৰহণ কৰিছে, জনাব।

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত সুশান্ত বৰগোহাঁই দেৱে উত্তৰ দিবঃ**

**– উত্তৰ–**

ক) জলসম্পদ বিভাগৰ বাজেটত শিতান অনুযায়ী বান তথা খহনীয়া ব্যৱস্থাপনাৰ বাবে পুজি আবণ্টনৰ ব্যৱস্থা থাকে। অৱশ্যে কোনো বিশেষ ক্ষেত্ৰ ভিত্তিক আঁচনিৰ বিপৰীতে, ২০২৬-২৭ বৰ্ষৰ বাজেটত পূজি আবন্টৰ ব্যৱস্থা কৰা হোৱা নাই।

বিগত বৰ্ষত, ডক্ৰেশ্বৰ অঞ্চলৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে বৰপেটা জলসম্পদ সংমণ্ডলে NABARD RIDF-XXIX (2023-24) আৰু NIDA (2023-24)ৰ অধীনত দুখন আঁচনি সুচাৰুৰূপে সম্পন্ন কৰিছে। আঁচনি দুখন হ'ল-

1. Pro-Siltation measures to protect B/Dyke from Bahari to Baghbar at Dokreswar Belortary area on R/B of river Brahmaputra.

Project Cost: Rs.4.50 Cr.

2. Construction of retirement of B/Dyke from Bahari to Baghbar (Breach Closing) along with Protection works at Dokreswar area (From ch. 45046m to 45826m)

Project Cost: Rs.15.00 Cr.

আঁচনি দুখনৰ সফল ৰূপায়নৰ জৰিয়তে অঞ্চলটোৰ খহনীয়া প্ৰতিৰোধৰ ক্ষেত্ৰত যঠেষ্ট সকাহ প্ৰদান কৰাৰ বাবে সমৰ্থ হৈছে।

ইয়াৰ উপৰিও বৰপেটা সমষ্টিৰ অন্তৰ্গত বহৰি অঞ্চলৰ লগতে শ্ৰীশ্ৰী হৰিদেৱ সত্ৰৰ অস্তিত্ব ৰক্ষাৰ বাবে Asian Development Bankৰ অধীনত "Climate Resilient Brahmaputra Integrated flood and river bank erosion risk management project In Assam, protection of B/Dyke under Barpeta W.R. Division" নামৰ আঁচনিখনৰ মুঠ ১২৩.৪৯ কোটি টকাৰ নিবিদা আহ্বান কৰা হৈছে। উক্ত আঁচনিখনত মুঠ ৭৫০০ মিঃৰ ভিতৰত বহৰি অঞ্চলত ১০০০ মিঃ Geo-Bagৰ কামৰ লগত PSC Porcupine স্থাপন কৰা হ'ব।

খ) সুন্দৰীদিয়া সত্ৰ আৰু কমাৰকুছি সত্ৰত নখন্দা নদীৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে দুখন আঁচনিৰ প্ৰাককলন প্ৰস্তুত কৰা হৈছে। আঁচনিৰ সবিশেষ ‘পৰিশিষ্ট-ক’ত উল্লেখ কৰা হ'ল।

যাৱতীয় পুঁজিৰ উপলভ্যতা সাপেক্ষে আঁচনি দুখন ৰূপায়ণ কৰিব পৰা হ'ব।

*( উত্তৰসমূহ আৰু **পৰিশিষ্ট-ক** অনলাইন যোগে **NeVA** পৰ্টেলত দাখিল কৰা হৈছে)

******************

পৰিশিষ্ট-ক

| Sl No | Name of Scheme | Estimated Amount |
|---|---|---|
| 1 | Protection and reclamation of land property of historic Sundardia Satra and Bamuna Satra from the erosion of river Nakhanda on its R/B. | 499.60 Lakh |
| 2 | Protection of Kamarkuchi Satra and Ganakkuchi Patharhati areas from the erosion of river Nakhanda on its B/B | 259.00 Lakh |

Chief Engineer
Water Resources Department
Assam Water Centre
5th Floor, Basistha Chariali, Ghy. - 29